**অসম চৰকাৰ**

**গোৱালপাৰা জিলা পৰিষদৰ কাৰ্যালয় :::: গোৱালপাৰা**

নং. জি.জেদ.পি. জি-১১০/হাট-বজাৰ/ফিচাৰি ইত্যাদি/২০২৫-২৬/১৩৫ তাৰিখ : ২৫/০৭/২০২৫

## পুনৰ - নিবিদা জাননী

## বজাৰ/হাট/ বন্দোৱস্তিৰ নিবিদা

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা যায় যে গোৱালপাৰা জিলা পৰিষদৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/হাট বোৰ অসম পঞ্চায়ত আইন, ১৯৯৪ আৰু অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৫ ৰ মতে ২০২৫-২৬ বৰ্ষৰ বাবে ইং ১৫-০৮-২০২৫ তাৰিখৰ পৰা ৩০-০৬-২০২৬ তাৰিখলৈ পুনৰ -নিবিদাযোগে বন্দোৱস্তি দিয়া হ'ব। বজাৰ/হাট-ৰ বন্দোৱস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়ালয়ৰ শুল্ক লগোৱা লাৰ মোহৰযুক্ত খামত নিবিদা আহ্বান কৰা হল।

নিবিদাসমূহ অহা ইং ০৬-০৮-২০২৫ তাৰিখে দিনৰ ২ বজালৈকে গোৱালপাৰা জিলা পৰিষদৰ কাৰ্য্যালয়ত গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত দিনৰ ৩ বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বজাৰ/হাট/ নাম | চৰকাৰী নিৰিখ (টকা) | আমানতৰ ধন (টকা) |
|---|---|---|---|
| ১ | কৃষ্ণাই সাপ্তাহিক পশু হাট | ১৪,৬৭,১৬৭/- | ১৪৬৭১৭/- |
| ২ | কৃষ্ণাই দৈনিক তামোল পান আৰু শুকান সুপাৰি বজাৰ | ১০,২০,৩৩৩/- | ১০২০৩৩/- |
| ৩ | কৃষ্ণাই সাপ্তাহিক হাট | ১৩,৫৫,৩৩৩/- | ১৩৫৫৩৩/- |
| ৪ | কৃষ্ণাই দৈনিক বজাৰ, | ১৩,৬৯,০০৩/- | ১৩৬৯০০/- |
| ৫ | সুতাৰপাৰা পশুহাট | ২৬,৬১,৫০২/- | ২৬৬১৫০/- |
| ৬ | ডামৰা সাপ্তাহিক বজাৰ | ১৩,৭৯,০৯৭/- | ১৩৭৯১০/- |
| ৭ | আমবাৰী পশু হাট | ৬৩,১৮,২৬৬/- | ৬৩১৮২৭/- |
| ৮ | ডাকাইদাল পশু হাট | ২১,৩৪,৪১৩/- | ২১৩৪৪১/- |
| ৯ | বুদুচৰ দৈনিক হাট | ২০,১৩,৫৩৬/- | ২০১৩৫৪/- |

**বজাৰ/হাট/ আদিৰ নিবিদাৰ চৰ্তাৱলী:-**

### প্ৰথম খণ্ড

১) বজাৰ/হাট/ বন্দোৱস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ বজাৰ/হাট/ চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) যদি এইটো দৃষ্টিগোচৰ হয় যে কোনো নিবিদাকাৰীয়ে ৰাজ্য চৰকাৰৰ যিকোনো পৰ্য্যায়ত যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ বাকী আছে অথবা যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ ব্যৰ্থ হৈছে, তেন্তে তেনে। নিবিদ্যকাৰীক যিকোনো পঞ্চায়তত সকলো ধৰণৰ নিবিদা পক্ৰিয়াত অংশগ্ৰহণ কৰিব দিয়া নহব।

৩) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সন্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব। অন্যথা এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৪) গোৱালপাৰা জিলা পৰিষদৰ কাৰ্যালয়ত ৩০০.০০/- টকা জমা দি নিবিদা প্ৰপত্ৰ আৰু আনুসংগিক নথি পত্ৰ কাৰ্যালয় খোলা থকা সময়ত ল'ব লাগিব।

৫) প্ৰতি বজাৰ/হাট/ৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৬) গোৱালপাৰা জিলা পৰিষদে যোগান ধৰা মূল নিবিদাৰ প্ৰপত্ৰতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা প্ৰপত্ৰৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব। কোনো নিবিদাকাৰীয়ে ফটোস্টেট কপিত নিবিদা দাখিল কৰিলে জিলা পৰিষদৰ নামত ৩০০.০০/- টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৭) বজাৰ/হাট বন্দোবস্তিৰ সম্পৰ্কীয় নিবিদা জমা দিয়াৰ ক্ষেত্ৰত দু-তৰপীয়া ব্যৱস্থা গ্ৰহণ কৰা হ'ব, যত নিবিদাকাৰীয়ে দুটা খামত তেওঁলোকৰ নিবিদা দাখিল কৰিব। প্ৰথম খামত নিবিদাকাৰীৰ যোগ্যতা, কোৰ্ট ফি, আমানতৰ ধন জমা (EMD), আৰক্ষীৰ প্ৰতিবেদন আদি দাখিল কৰিব লাগিব। দ্বিতীয় খামত নিবিদাকাৰীয়ে তেওঁলোকৰ নিবিদাৰ ধনৰ পৰিমাণ দাখিল কৰিব। অকল প্ৰথম পৰ্য্যায়ত গ্ৰহণযোগ্য বিবেচিত হোৱা নিবিদাকাৰী সকলৰহে দ্বিতীয় খাম বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ ফৰ্মত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। জিলা পৰিষদৰ অধীনস্থ হাট, আদিৰ ক্ষেত্ৰত নিবিদ্যকাৰী গোৱালপাৰা জিলাৰ বাসিন্দা হ'ব লাগিব।

৯) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্ট ফি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক। নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই লব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোবস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

১০) নিবিদা দাখিল ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰৱৰ্তী কাৰ্য্যালয় খোলাৰ দিনা নিবিদা গ্ৰহণ কৰা হ'ব।

১১) কোনো বজাৰ/হাট ৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচিত নহ'লে পুনৰ নিবিদা আহ্বান কৰা হব।

১২) সকলো বজাৰ/ৰ ক্ষেত্ৰত বিগত তিনিটা বছৰৰ বন্দোবস্তিৰ গড় মূল্য সহিতে গড় মূল্যৰ ১০ শতাংশ হাৰৰ ভিতৰত দাখিল কৰা সৰ্বোচ্চ নিবিদাহে বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব

১৩) ক) যদিহে কোনো বজাৰ/ ৰ বাবে এগৰাকীতকৈ অধিক স্থানীয় নিবিদাকাৰীয়ে একে নিবিদা মূলা দাখিল কৰে আৰু যদিহে নিবিদা জাননীৰ অন্যান্য সকলো চৰ্তাৱলী সাপেক্ষে তেওঁলোকৰ গ্ৰহণযোগ্যতা থাকে, তেনেহলে সেই বজাৰৰ বন্দোবস্তি নিৰ্ধাৰণ কৰাৰ বাবে স্থানীয় নিবিদাকাৰীসকলৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰা হ'ব।

খ) একাধিক নিবিদাকাৰীৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ আদিৰ বাবে বিশেষভাভাৱে গঠন কৰা বন্দোবস্তি সমিতিয়ে সকলো নিবিদাকাৰী, জিলা পৰিষদৰ বিষয়ববীয়া তথা সাধাৰণ নাগৰিকৰ উপস্থিতিত গোৱালপাৰা জিলা পৰিষদৰ কাৰ্য্যালয় প্ৰাংগনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে লটাৰী সম্পন্ন কৰিব লাগিব। এনে লটাৰীৰ বাবে কৰ্তৃপক্ষই সংশ্লিষ্ট সকলো স্থানীয় নিবিদাকাৰীকে আগতীয়াকৈ জনাব লাগিব আৰু সমগ্ৰ লটাৰী প্ৰক্ৰিয়াৰ কাৰ্যবিৱৰণী প্ৰস্তুত কৰি বিধিগতভাৱে সংশ্লিষ্ট বিষয়ববীয়া আৰু নিবিদ্যকাৰীৰ স্বাক্ষৰ গ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে একে নিবিদামূল্য দাখিল কৰা প্ৰতিগৰাকী নিবিদাকাৰীৰ সম্মতিসূচক স্বাক্ষৰ থকা কাৰ্যবিৱৰণীহে গ্ৰহণযোগ্য হ'ব। পৰৱৰ্তী সময়ত এনে কাৰ্যবিৱৰণীৰ প্ৰতিলিপি জিলা পৰিষদৰ জৰিয়তে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ প্ৰেৰণ কৰিব লাগিব।

গ) লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ আদিৰ বাবে বিশেষভাৱে গঠন কৰা বন্দোবস্তি সমিতিয়ে সমগ্ৰ লটাৰী প্ৰক্ৰিয়াটোৰ ভিডিঅ'গ্ৰাফী কৰাটো বাধ্যতামূলক। এই ভিডিঅগ্ৰাফী কোনো চি. ডি. (compact disc) বা পেনড্ৰাইভত (pendrive) সুৰক্ষিত কৰি অতি কমেও পাঁচ বছৰৰ বাবে সংৰক্ষিত কৰি ৰাখিব লাগিব যাতে বন্দোবস্তি সম্পৰ্কীয় যিকোনো ওজৰ-আপত্তি/ গোচৰ মোকদমা আদিৰ সময়ত সেয়া দাখিল কৰিব পৰা যায়। তদুপৰি প্ৰয়োজন সাপেক্ষে উৰ্ধতম মহলে বিচাৰিলে এই ভিডিঅ ৰেকৰ্ডিং জমা দিব লাগিব।

## দ্বিতীয় খণ্ড

১৪) হাট, আদিৰ বন্দোবস্তি সম্পৰ্কীয় নিবিদাৰ ক্ষেত্ৰত **Assam Public Procurement Rule Framework** ত সন্নিবিষ্ট নিয়ম মানি চলাটো বাধ্যতামূলক।

১৫) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত নিৰ্দিষ্ট বজাৰ/ ৰ চৰকাৰী নিৰিখৰ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাপে গোৱালপাৰা জিলা পৰিষদৰ আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যি কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ Fixed Deposit নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৬) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৭) নিবিদাকাৰী আৰু জামিনদাৰে গোৱালপাৰা জিলা পৰিষদৰ পৰা কৰমুক্ত/ পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণপত্ৰ নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা দাখিলৰ সময়ত স্থানীয় আৰক্ষী থানাৰ পৰা তেখেতৰ পূৰ্ব পটভূমি **(Antecedent)** জমা দিয়াটো বাধ্যতামূলক।

১৯) যিকোনো ধৰণৰ হিংসাত্মক কাৰ্য্যকলাপ, অত্যাচাৰ, শোষণ, নিপীড়ন আদিত জড়িত থকা নিবিদাকাৰীক হাট, আদিৰ বন্দোৱস্তি দিয়া নহ'ব।

২০) নিবিদাকাৰী আৰু জামিনদাৰে নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি স্বয়ং প্ৰত্যায়িত কৰিব লাগিব।

## <u>তৃতীয় খণ্ড</u>

২১) অসম পঞ্চায়ত (বিত্তীয়) (সংশোধনী) নিয়মাৱলী, ২০২৫ৰ ৪৭ নং বিধিমতে নিবিদাকাৰীয়ে বজাৰ বন্দোৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত উপ-পঞ্জীয়কৰ কাৰ্য্যালয়ত পঞ্জীয়নভুক্ত চুক্তিপত্ৰ নিৰ্দ্ধাৰিত দলিল (Stamp Paper) ত দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

২২) বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বন্দোৱস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোবস্তি মূল্য জিলা পৰিষদৰ কাৰ্য্যালয়ত জমা দিব লাগিব।

২৩) যদিহে বন্দোবস্তি পোৱা নিবিদাকাৰী গৰাকীয়ে নিৰ্দ্ধাৰিত এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোবস্তি মূল্য জমা দিয়াত ব্যৰ্থ হয়, তেনেহলে জিলা পৰিষদে পিছৰগৰাকী সৰ্বোচ্চ নিবিদাকাৰীক বন্দোবস্তি প্ৰদান কৰিব। এই বন্দোবস্তিৰ ক্ষেত্ৰতো দফা নং ১২ আৰু ১৩ ত উল্লেখিত নিয়মাৱলী প্ৰযোজ্য হ'ব। এই প্ৰক্ৰিয়া বন্দোবস্তি জাননী প্ৰেৰণৰ নিৰ্দ্ধাৰিত সপ্তাহৰ পিছৰ সপ্তাহত সম্পন্ন কৰিব লাগিব।

২৪) বজাৰ/যাট আদিৰ বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে বজাৰলৈ ঘৰুৱাভাৱে উৎপাদিত শাক-পাচলি, তামোল-পান, দুগ্ধজাত সামগ্ৰী আদি বিক্ৰী কৰিবলৈ অহা স্থানীয় লোকৰপৰা বা ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা কোনোধৰণৰ মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। এনে অভিযোগ লাভ কৰা নিবিদাকাৰীৰ বিৰুদ্ধে জিলা পৰিষদে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

২৫) বজাৰ/হাট আদিৰ বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে পৰাপক্ষত নিয়মীয়া বিক্ৰেতা, ব্যৱসায়ী আদিৰ পৰাহে ছমাহ বা বছৰৰ মূৰত এবাৰকৈ জিলা পৰিষদৰ দ্বাৰা অনুমোদিত মাচুল/ কৰ সংগ্ৰহ কৰিব পাৰিব।

২৬) বজাৰ/ বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ বজাৰ/ হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

২৭) যদি কোনো নিবিদাকাৰীয়ে নিবিদা দাখিল কৰি বন্দোবস্তিৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহলে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন Forfeit হ'ব আৰু তেওঁ আগন্তুক পাঁচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

২৮) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি কোনো বিষয়াই হাট/ৰ বন্দোবস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্য পাতি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

২৯) প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব-

ক) হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাৰৰ বা গেলা-পচা বস্তু নিজৰ খৰছত নিবিদাকাৰীয়ে হাটৰ সীমাৰ পৰা কমেও ৬০০ মিটাৰ জানবসতিৰ আঁতৰত পেলাব লাগিব, যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা পচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তেনে বিক্ৰী তৎক্ষণাত বন্ধ কৰিব আৰু তেনে বিক্ৰেতাৰ বিৰুদ্ধে ওচৰত থকা জনস্বাস্থ্য বিষয়াক অভিযোগ দিব লাগিব। লগতে বজাৰত গেলা পচা বস্তু বাইজৰ স্বাস্থ্য হানি হোৱা বস্তু/সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু আদি বিক্ৰী কৰিব নোৱাৰিব।

ঘ) প্ৰত্যেক নিবিদাকাৰীয়ে জিলা পৰিষদৰ অনুমোদিত খাজনা/মাচুল আদিৰ নিৰিখ বজাৰ আদিৰ মুখ্য প্ৰৱেশদ্বাৰ তথা অন্যান্য মুখ্য এলেকাত জাননী ফলক (নোটিচ বৰ্ড) লগাই সহজে পঢ়িব পৰাকৈ স্থানীয় ভাষাত লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হ'লে উক্ত বস্তুৰ ওপৰত কোনো খাজনা/মাচুল ল'ব নোৱাৰিব।

চ) হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ কিনা-বেচা হয় সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিষ্কাৰ পৰিছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৩০) জিলা পৰিষদৰ কোনো কৰ্তৃত্বশীল বিষয়াই হাট/বজাৰ আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব।

৩১) সাপ্তাহিক/অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক/ অৰ্দ্ধ সাপ্তাহিক হাট বজাৰৰ খাজনা/মাচুল আদায় কৰিব নোৱাৰিব।

৩২) সাপ্তাহিক/অৰ্ধসাপ্তাহিক/দৈনিক বজাৰৰ মহলদাৰে বজাৰৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰতহে খাজনা আদায় কৰিব পাৰিব।

৩৩) জিলা পৰিষদে হাট, আদিৰ পৰা সংগৃহীত ৰাজহৰ হিচাপ ৰখাটো বাধ্যতামূলক।

৩৪) National Green Tribunal ৰ ১২/১২/২০১৮ ইং তাৰিখৰ D.A. No. 606/2018 ৰ নিৰ্দেশ মৰ্মে পালন কৰিবলগীয়া Solid Waste Management Rules, 2016 আৰু Plastic Waste Management Rules, 2016 ত অন্তৰ্ভুক্ত কৰা চৰ্ত সমূহ মহলদাৰজনে বজাৰ ভিত্তিক গোটা জাৱৰ আৰু প্লাষ্টিক জাৱৰ ব্যৱস্থাপনা কমিটি (Market Wise Solid Waste and Plastic Waste Management Committee) ৰ সহযোগত পালন কৰিব লাগিব।

৩৫) বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হ'ব।

মুখ্য কাৰ্য্যাৱাহী বিষয়া
গোৱালপাৰা জিলা পৰিষদ

মেমো নং. জি.জেদ.পি. জি-১১০/হাট-বজাৰ/ফিচাৰি ইত্যাদি/২০২৫-২৬/১৩৫-(ক) তাৰিখ : ২৫/০৭/২০২৫

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহীত ব্যৱস্থাৰ্থে -

১) আয়ুক্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম, পাঞ্জাবাৰী, গুৱাহাটী-৩৭।
২) জিলা আয়ুক্ত, গোৱালপাৰা।
৩) আৰক্ষী অধীক্ষক, গোৱালপাৰা।
৪) চক্ৰ বিষয়া (সকলো)।
৫) খণ্ড উন্নয়ন বিষয়া (সকলো)।
৬) ব্যক্তিগত সচিব, মাননীয় মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি, অসম, দিশপুৰ, গুৱাহাটী-৬ মাননীয় মন্ত্ৰী মহোদয়ক জনোৱাৰ হেতু।
৭) ব্যক্তিগত সচিব, মাননীয় অভিভাৱক মন্ত্ৰী গোৱালপাৰা জিলা।
৮) ব্যক্তিগত সচিব, অতিৰিক্ত মুখ্য সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিশপুৰ, গুৱাহাটী-৬. অতিৰিক্ত মুখ্য সচিবক জনোৱাৰ হেতু।
৯) ব্যক্তিগত সহায়ক, বিশেষ সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিশপুৰ, গুৱাহাটী-৬, বিশেষ সচিবক জনোৱাৰ হেতু।
১০) জিলা তথ্য বিষয়া, NIC গোৱালপাৰা, জিলা প্ৰশাসনৰ ৱেবচাইটত প্ৰকাশৰ বাবে অনুৰোধ জনোৱা হল।
১১) জিলা তথ্য আৰু জনসংযোগ বিষয়া, গোৱালপাৰা, ব্যাপক প্ৰচাৰৰ বাবে।
১২) গাওঁ পঞ্চায়ত সচিব (সকলো)।
১৩) কাৰ্য্যলয় জাননী ফলক।

মুখ্য কাৰ্য্যাৱাহী বিষয়া
গোৱালপাৰা জিলা পৰিষদ